**2 0 1 8**

# ASSAMESE

## ( Major )

Paper : 5.1

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়া : ১×৭=৭

(ক) "ই কালক্ৰমত লোকমনোৰঞ্জন, লোকসংগ্ৰহ আৰু লোকহিতৰ মাধ্যম হৈ পৰিল।" অংকীয়া নাট সম্পৰ্কে আগবঢ়োৱা এইষাৰ মন্তব্য কাৰ?

(খ) ৰুক্মিণীৰ সৌন্দৰ্যৰ বতৰা কঢ়িয়াই অনা ভিক্ষুকগৰাকীৰ নাম কি?

(গ) 'আমুখ' কি?

(ঘ) নলকুবেৰ আৰু মণিগ্ৰীৱ কাৰ পুত্ৰ আছিল?

(ঙ) ড০ সত্যেন্দ্ৰনাথ শৰ্মা সম্পাদিত 'অংকমালা'ত তোমাৰ পাঠ্যৰ অন্তৰ্গত কোনখন নাটে স্থান লাভ কৰিছে?

(চ) 'জন্মযাত্ৰা' নাটত ভূমিৰ ভাৰ হৰণৰ বাবে ব্ৰহ্মাৰ ওচৰত কোনে প্ৰাৰ্থনা কৰাৰ কথা উল্লেখ আছে?

(ছ) সুভদ্ৰাৰ সখীয়েকৰ নাম কি আছিল?

২। *এটা* বা *দুটা* বাক্যত তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া : ২×৪=৮

(ক) 'নাট্যশাস্ত্ৰ'ত থকা কেনেধৰণৰ বিধি-নিষেধ অংকীয়া নাটত মানি লোৱা হোৱা নাইৰ দুটা উদাহৰণ দিয়া।

(খ) 'ৰুক্মিণী হৰণ' নাটত উল্লেখিত দুজন কৃষ্ণবিদ্বেষী ৰজাৰ নাম লিখা।

(গ) 'অৰ্জুন ভঞ্জন' নাটৰ আন এটা নাম কি? এই নাটৰ শেষত সন্নিৱিষ্ট গীতটোৰ ৰাগৰ নাম উল্লেখ কৰা।

(ঘ) "যব ভৈল সন্যাসী তব তে কৈছন আসি
দোহো কন্যা কয়লি বিবাহ।"

ইয়াত 'দোহো কন্যা' বুলি কোন দুগৰাকী নাৰীক বুজোৱা হৈছে?

৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো তিনিছোৱা) : ৫×৩=১৫

(ক) অঘ বক ধেনুক মাৰি। কংস কেশী অন্তকাৰী॥
মধু মুৰ নৰক নিবাৰণ বাৰণ
কুবলয় জীবন হাৰী॥

(খ) হে জগত কাৰণ নাৰায়ণ, কালসৰ্পক ভয়ে ব্ৰহ্ম ভুৱন পৰ্য্যন্ত জীৱ পলাৱল, একোৱে থানে অভয় নাহি পাৱত, কোন ভাগ্যোদয়ে তোহ্মাৰ অভয় চৰণে আশ্ৰয় কয়লে, তেৱে মৃত্যু ভয় চাৰয়, কংসক ভয়ে হামাৰ হৃদয় কম্পয়, ওহি দিব্যৰূপ সম্বৰহ॥





(গ) হেৰিয়ে বয়ন চান্দ ৰবি লাজ।
নয়নক পেখি কমল জল মাজ॥
পঙ্কজ বয়ন অলককুল শোহে।
যৈচে ভ্ৰমৰ ৰহত মধুলোহে॥

(ঘ) তুৱা কথা শ্ৰৱণে ৰহোক অবিৰাম।
কৰ মেৰি ৰহোক তোহাৰি কয়ে কাম॥
তুৱা পদ সুমৰি ৰহোক মন থিৰ।
তোহাৰি চৰণ বন্দি ৰহু মেৰি শিৰ॥

(ঙ) হে জগতক পিতামহ, তোহাক দৰশন দেৱৰ দুৰ্লভঃ হামু মানুষ হুয়া তোহাক দৰশন ভেলো, আঃ হামাৰ ভাগ্যক মহিমা কি কহবঃ জনম সাফলঃ আজু দ্বাৰকাপুৰ পবিত্ৰ ভেল॥

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো তিনিটা) : ১০×৩=৩০

(ক) অংকীয়া নাটৰ লগত সাদৃশ্য থকা এটা মধ্যযুগীয় থলুৱা লোক-নাট্যানুষ্ঠান আৰু বহিঃৰাজ্যৰ এটা লোক-নাট্যধৰ্মী অনুষ্ঠানৰ পৰিচয়মূলক টোকা আগবঢ়োৱা।

(খ) "পৰিস্থিতি উজ্জ্বল আৰু চৰিত্ৰ সজীৱ কৰিবলৈ যিখিনিত ৰহণ লগোৱাৰ প্ৰয়োজন সেইখিনিত মহাপুৰুষে নিজস্বভাৱে তুলিকা চলাইছে।"

'ৰুক্মিণী হৰণ' নাটৰ ক্ষেত্ৰত আগবঢ়োৱা উক্ত মন্তব্যৰ সমৰ্থনত যুক্তি দাঙি ধৰা।

(গ) গোপাল আতাৰ সাহিত্যিক প্ৰতিভা সম্পৰ্কে এটি টোকা যুগুত কৰি 'জন্মযাত্ৰা' নাটৰ গীতসমূহৰ সৌন্দৰ্য বিচাৰ কৰা।

(ঘ) ঝুমুৰা বুলিলে কি বুজা? ঝুমুৰাৰ বিশেষত্বসমূহ বহলাই আলোচনা কৰা।

(ঙ) 'ৰুক্মিণী হৰণ' আৰু 'সুভদ্ৰা হৰণ' নাটৰ কোন কোন দিশত মিল লক্ষ্য কৰা যায়, উদাহৰণসহ আলোচনা কৰা।

(চ) "মাধৱদেৱৰ বিশেষ উদ্দেশ্য সৰল শিশু-প্ৰীতিৰ মাজেদি মোক্ষৰ পথ নিৰ্দেশ কৰা।" 'অৰ্জুন ভঞ্জন' নাটৰ আলমত এই কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰা।

* * *

# 2018

## ASSAMESE

## ( Major )

Paper : 5.2

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। *এটা* শব্দ বা বাক্যত উত্তৰ লিখা : ১×৭=৭

(ক) অসমীয়া গদ্য-সাহিত্যৰ পথপ্ৰদৰ্শক বুলি কাক কোৱা হয়?

(খ) 'কথাগীতা'ৰ প্ৰথম অধ্যায়ৰ শেষত ভট্টদেৱে অধ্যায়টোৰ নাম কি বুলি উল্লেখ কৰিছে?

(গ) কুণ্ডিলৰ পৰা দ্বাৰকালৈ যোৱা বিপ্ৰগৰাকীৰ নাম কি?

(ঘ) যুদ্ধাদিত্য কোন আছিল?

(ঙ) মদন পূজাৰ বেদীত প্ৰতিষ্ঠা কৰা মূৰ্তিটো কিহেৰে নিৰ্মাণ কৰা হয়?

(চ) জয়সাগৰ পুখুৰী কিমান শকত খান্দিছিল?

(ছ) শিঙৰীঘৰত উঠিয়েই স্বৰ্গদেউ ৰুদ্ৰসিংহই কি নাম লৈছিল?

২। চমুকৈ উত্তৰ লিখা : ২×৪=৮

(ক) 'কথাগীতা'ৰ প্ৰথম অধ্যায়ত মহাৰথী, ৰথী আৰু অৰ্ধৰথীৰ সংজ্ঞা কোনে, কাৰ আগত ব্যক্ত কৰিছিল?

(খ) 'গুৰু-সেৱা মাহাত্ম্য' পাঠটিত তিনি গুৰু বুলি কাক কোৱা হৈছে?

(গ) স্বৰ্গদেউ ৰুদ্ৰসিংহৰ শাসনকালৰ সময়ত জয়ন্তা আৰু কছাৰী ৰাজ্যৰ ৰজা কোন কোন আছিল?

(ঘ) ব্ৰাউন চাহাবে পত্ৰৰ আৰম্ভতে কোন দুগৰাকী খ্ৰীষ্টিয়ান ভাইৰ কথা উল্লেখ কৰিছে?

৩। যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) ভট্টদেৱৰ গদ্য শক্তিশালী হোৱা সত্ত্বেও জনপ্ৰিয় নোহোৱাৰ কাৰণসমূহ চমুকৈ আলোচনা কৰা।

(খ) তোমাৰ পাঠ্যৰ ভিত্তিত অংকীয়া নাটৰ গদ্যৰ বিষয়ে এটি টোকা যুগুত কৰা।

(গ) "দশ বিপ্ৰাধিক অধ্যাপক, দশ অধ্যাপকতো অধিক পিতৃ, পিতৃতো দশগুণে মাতৃ। হেন মহাগুৰুৰ বাক্য তোৰ পালিতে উচিত।"

কৌশল্যাই কি প্ৰসঙ্গত উক্ত ধৰণে শ্ৰীৰামৰ আগত যুক্তি দৰ্শাইছিল? চমুকৈ বুজাই লিখা।

(ঘ) স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ 'গড়গাঁৱত মহাজন সম্মিলন'ৰ কথাখিনি নিজৰ ভাষাত বৰ্ণনা কৰা।

(ঙ) অসমীয়া ভাষা-সাহিত্যলৈ নাথান ব্ৰাউনৰ অৱদান সম্পৰ্কে চমুকৈ লিখা।





৪। (ক) 'কথাগীতা'ৰ দ্বিতীয় অধ্যায়ৰ আধাৰত আত্মাৰ স্বৰূপ সম্পৰ্কে বিৱৰণ দাঙি ধৰা। ১০

*অথবা*

(খ) 'শ্ৰীকৃষ্ণৰ পূৰ্বৰাগ' পাঠটোৰ আলমত ৰুক্মিণী আৰু শ্ৰীকৃষ্ণৰ পূৰ্বৰাগৰ প্ৰকাশ কেনেদৰে হৈছিল, বৰ্ণনা কৰা। ১০

৫। (ক) 'ৰামৰ বনগমন' শীৰ্ষক পাঠটোৰ আধাৰত কৌশল্যা আৰু কৈকেয়ীৰ চাৰিত্ৰিক বৈশিষ্ট্যসমূহ কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

*অথবা*

(খ) 'ত্ৰিপুৰাত মদন পূজাৰ আড়ম্বৰ আৰু মোট খেলাৰ কৌতুক' পাঠটিত ত্ৰিপুৰাৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ ছবি কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

৬। (ক) 'স্বৰ্গদেৱ ৰুদ্ৰসিংহ' শীৰ্ষক পাঠটোৰ আধাৰত বুৰঞ্জীৰ গদ্যৰ বৈশিষ্ট্যসমূহ বিচাৰ কৰি এটি প্ৰবন্ধ যুগুত কৰা। ১০

*অথবা*

(খ) ব্ৰাউন চাহাবৰ পত্ৰৰ আধাৰত 'অৰুণোদই'ৰ গদ্যৰীতিৰ বিষয়ে আলোচনা কৰা। ১০

★★★

# 2018

## ASSAMESE

## ( Major )

Paper : 5.3

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা : ১×৭=৭

(ক) অসমত মহাপুৰুষ দুগৰাকীৰ নামত প্ৰচলিত বৰগীত কেইটা ?

(খ) ৰজা শিৱ সিংহই বিদ্যাপতিক কি উপাধিৰে ভূষিত কৰিছিল ?

(গ) 'ব্ৰজবুলি-গীতি-গুচ্ছ' গ্ৰন্থখনৰ সম্পাদকগৰাকীৰ নাম কি ?

(ঘ) হিন্দী কবি সুৰদাসক অসমৰ কোনগৰাকী কবিৰ লগত তুলনা কৰা হয় ?

(ঙ) বৈষ্ণৱ পদাৱলী সাহিত্যত কোনগৰাকী কবিক 'প্ৰেম আৰু সৌন্দৰ্যৰ কবি' বুলি অভিহিত কৰা হৈছে ?

(চ) বৈষ্ণৱ পদাৱলীত কেই প্ৰকাৰৰ নায়িকাৰ উল্লেখ পোৱা যায়?

(ছ) মহাপুৰুষ শঙ্কৰদেৱ বিৰচিত 'মাথুৰ বিৰহ' শীৰ্ষক বৰগীতটিত কি ৰাগ ব্যৱহাৰ কৰা হৈছে?

২। সংক্ষিপ্ত উত্তৰ দিয়া : ২×৪=৮

(ক) বিদ্যাপতিয়ে অৱহট্ট ভাষাত ৰচনা কৰা গ্ৰন্থ দুখনৰ নাম লিখা।

(খ) বৰগীতৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(গ) গোবিন্দদাস কোন ঠাইৰ কবি? শ্ৰীজীৱ গোস্বামীয়ে তেওঁক কি উপাধিৰে সম্মানিত কৰিছিল?

(ঘ) "সো বহু-বল্লভ জগজন-দুৰ্লভ<br>তেজলি নিজ মন-সাধে।"

কবিতাংশ কোনটো কবিতাৰ অন্তৰ্গত? কবিগৰাকীৰ নাম কি?

৩। ব্যাখ্যা কৰা (যি কোনো তিনিছোৱা) : ৫×৩=১৫

(ক) শূন্য ভৈল অঙ্গিনা বিবিন্দা-বিপিন।<br>না সোহে ৰয়নী জৈছে চান্দ-বিহীন॥

(খ) গগন গৰজ ঘন শুনি মন শংকিত<br>বাৰিষ হৰি কক বাৰে।<br>দখিন পৱন সৌৰভে যদি সন্তৱৰ<br>দুহুঁ মন দুহুঁ বিছুৰাৱে॥

(গ) সুন্দৰী কৈছে কৰবি অভিসাৰ।<br>হৰি ৰহ মানস-সুৰধনি পাৰ॥



*(Continued)*



(ঘ) সজনি কাহে কৰব দিন বঞ্চ।<br>জীবইতে ভেল অশঞ্চ॥

(ঙ) সখিহে হমৰি দুখক নহি ওৰ।<br>ই ভৰ বাদৰ মাহ ভাদৰ<br>শূন মন্দিৰ মোৰ॥

৪। (ক) বিদ্যাপতি কোন সময়ৰ কবি? তেওঁৰ কবি-প্ৰতিভা সম্পৰ্কে চমুকৈ আলোচনা কৰা। ২+৮=১০

*অথবা*

ব্ৰজবুলি ভাষাৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি এটি প্ৰবন্ধ যুগুত কৰা। ১০

(খ) বিদ্যাপতি আৰু শংকৰদেৱ বিৰচিত 'মাথুৰ বিৰহ' শীৰ্ষক গীতকেইটাৰ তুলনামূলক আলোচনা আগবঢ়োৱা। ১০

*অথবা*

"চাটুকাৰমপি প্ৰাণনাথং ৰোষাদ্‌পাস্য যা।<br>পশ্চাত্তাপমবাপ্নোতি কলহান্তৰিতা তু সা॥"

বিশ্বনাথ কবিৰাজে কলহান্তৰিতা নায়িকা সম্পৰ্কে দিয়া উক্ত সংজ্ঞাটোৰ আধাৰত তোমাৰ পাঠত থকা 'কলহান্তৰিতা নায়িকা' শীৰ্ষক কবিতাটিৰ এটি চমু আলোচনা আগবঢ়োৱা।

(গ) "বাৎসল্য ৰস মাধৱদেৱৰ ভক্তজীৱনৰ সৰ্বস্ব।" তোমাৰ পাঠ্য 'চিৰন্তন মাতৃ' কবিতাটিৰ আধাৰত এই উক্তিৰ যথাৰ্থতা প্ৰতিপন্ন কৰা। ১০



*(Turn Over)*

অথবা

অভিসাৰিকা নায়িকা কেই প্ৰকাৰৰ ? তোমাৰ পাঠত থকা 'অভিসাৰিকা নায়িকা' আৰু 'বৰ্ষাভিসাৰ'ৰ নায়িকাৰ অভিসাৰৰ বৰ্ণনা উপযুক্ত উদাহৰণেৰে সৈতে আলোচনা কৰা। ২+৪+৪=১০

★★★

# 2018

## ASSAMESE

## ( Major )

Paper : 5.4

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা (*এটা* শব্দ বা *এটা* বাক্যত) : ১×৭=৭

(ক) কোনখন পিটকত বৌদ্ধ ধৰ্মৰ মূল ধ্যান-ধাৰণাসমূহ সন্নিৱিষ্ট হৈছে?

(খ) সংস্কৃত নাটকৰ গীতত কোনটো প্ৰাকৃতক স্থান দিয়া হৈছিল?

(গ) কোনখন গ্ৰন্থত 'ধম্মপদ'ৰ প্ৰথম উল্লেখ পোৱা যায়?

(ঘ) পালি ভাষাৰ স্বৰধ্বনি কেইটা?

(ঙ) মাগধী-প্ৰাকৃতৰ সৰ্বপ্ৰাচীন নিদৰ্শন ক'ত পোৱা যায়?

(চ) 'কৰ্পূৰমঞ্জৰী' নাটকখন কেইটা 'জৱন্তিকাৰম্' বা অংকত বিভক্ত?

(ছ) ভাৰতীয় দূতকাব্য পৰম্পৰাৰ শেহতীয়া নিদৰ্শন কি?

২। চমুকৈ উত্তৰ লিখা : ২×৪=৮

(ক) 'পালি' শব্দৰ প্ৰথম উল্লেখ ক'ত পোৱা যায়? শব্দটোৰ অৰ্থ কি আছিল?

(খ) প্ৰাচীনতম প্ৰাকৃত বৈয়াকৰণ বুলি কাক কোৱা হয়? তেওঁৰ ব্যাকৰণখনৰ নাম কি?

(গ) মহাৰাষ্ট্ৰী প্ৰাকৃতত ৰচনা কৰা দুখন কাব্যৰ নাম লিখা।

(ঘ) 'ধম্মপদ'সমূহত সৰ্বমুঠ কিমানটা গাথা আৰু বগ্‌গ আছে, লিখা।

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) প্ৰাকৃত ভাষা উদ্ভৱৰ সামাজিক আৰু ঐতিহাসিক পটভূমি সম্পৰ্কে লিখা।

(খ) 'অভিজ্ঞানশকুন্তলম্' নাটকৰ ষষ্ঠ অংকৰ নাটকীয় তাৎপৰ্য ব্যাখ্যা কৰা।

(গ) ত্ৰিপিটকৰ বিষয়ে চমু আভাস দিয়া।

(ঘ) 'কৰ্পূৰমঞ্জৰী' নাটকৰ বিশেষত্বৰ বিষয়ে চমুকৈ লিখা।

(ঙ) পালি ভাষাৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

৪। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) মধ্য-ভাৰতীয় আৰ্যভাষাৰ বিকাশৰ ধাৰা উল্লেখ কৰি ইয়াৰ উমৈহতীয়া বৈশিষ্ট্যসমূহ লিখা।





(খ) 'সন্দেশৰাসক' কাব্যক দূতকাব্যৰূপে উপস্থাপন কৰাৰ লগতে কাব্যিক সৌন্দৰ্যও বিচাৰ কৰা।

(গ) 'ধম্মপদ'ৰ বিষয়বস্তু উল্লেখ কৰি বৌদ্ধ ধৰ্মৰ মূল উদ্দেশ্য ব্যাখ্যা কৰা।

(ঘ) সাহিত্যিক প্ৰাকৃতৰ পৰিচয় দাঙি ধৰি যি কোনো এটা প্ৰাকৃতৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

(ঙ) প্ৰাকৃত সাহিত্য সন্দৰ্ভত এটি আলোচনা আগবঢ়োৱা।

★★★

# 2 0 1 8

## ASSAMESE

## ( Major )

Paper : 5.5

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা : ১×৭=৭

(ক) অলঙ্কাৰ শাস্ত্ৰত ৰস শব্দৰ অৰ্থ কি?

(খ) ভৰতৰ ৰসসূত্ৰৰ প্ৰথম ব্যাখ্যাকাৰ কোন?

(গ) ধ্ৰুৱবাদ শব্দটো ইংৰাজী কোনটো শব্দৰ পৰা ওলাইছে?

(ঘ) ভিক্টৰ হিউগোৱে ৰোমাণ্টিকতাবাদক কি বুলি কৈছে?

(ঙ) 'কবিতা ছন্দোৱদ্ধ ৰচনা' বুলি কোনে কৈছিল?

(চ) এৰিষ্ট'টলে তেওঁৰ 'Poetics'ত নাটকৰ সংজ্ঞা হিচাপে কি কৈছে?

(ছ) এডগাৰ এলেন পো-এ দিয়া চুটিগল্পৰ সংজ্ঞাটো কি?

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) স্থায়ীভাৱ কি আৰু কেইটা, উল্লেখ কৰা।

(খ) আধুনিকতাবাদৰ দুটা বৈশিষ্ট্য লিখা।

(গ) ৰূপক কবিতা কাক বোলে?

(ঘ) অসমীয়া ভাষাৰ দুখন জীৱনীমূলক উপন্যাসৰ নাম লিখা।

৩। (ক) ভৰতৰ ৰসসূত্ৰটো উল্লেখ কৰি তাৰ এটা ব্যাখ্যা দাঙি ধৰা। ২+৮=১০

*অথবা*

(খ) ৰস কাক বোলে? ৰসৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰা। ২+৮=১০

৪। (ক) ধ্ৰুৱবাদ কি? ধ্ৰুপদী সাহিত্যৰ বৈশিষ্ট্যসমূহ লিখা। ২+৮=১০

*অথবা*

(খ) ৰমণ্যাসবাদ বুলিলে কি বুজা? ৰমণ্যাসবাদী সাহিত্যৰ প্ৰধান লক্ষণসমূহ আলোচনা কৰা। ২+৮=১০

৫। (ক) মহাকাব্য কাক বোলে? মহাকাব্যৰ লক্ষণবোৰ কি কি, আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) "উপন্যাসৰ মূল সম্পদ কাহিনী।" এই উক্তিৰ আধাৰত উপন্যাসত কাহিনী আৰু চৰিত্ৰৰ পাৰস্পৰিক সম্পৰ্কৰ বিষয়ে আলোচনা কৰা। ১০





৬। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) বিভাৱ

(খ) অভিব্যক্তিবাদ

(গ) ছনেট বা চতুৰ্দ্দশপদী কবিতা

(ঘ) প্ৰহসন

(ঙ) সাধুকথা আৰু চুটিগল্পৰ পাৰ্থক্য

(চ) আঞ্চলিক উপন্যাস

★★★

# 2 0 1 8

## ASSAMESE

## ( Major )

Paper : 5.6

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা (যি কোনো সাতটা) : ১×৭=৭

(ক) *Origin and Development of Bengali Language* নামৰ গ্ৰন্থখনৰ লিখক কোন?

(খ) কুৰি শতিকাৰ প্ৰথম ভাগত এছিয়া-মাইনৰত উদ্ধাৰ হোৱা শিলালেখবোৰৰ ভাষাটোক কি বুলি অভিহিত কৰা হৈছে?

(গ) ইণ্ডো-ইউৰোপীয় ভাষা-পৰিয়ালৰ একেবাৰে পশ্চিম সীমাত কোনটো শাখাৰ ভাষা প্ৰচলিত?

(ঘ) কোন শ্ৰেণীৰ ভাষাত প্ৰাতিপদিক বা প্ৰত্যয় বুলি কোনো কথা নাই?

(ঙ) 'হিন্দুস্তানী' নাম দি ভাৰতত কৃত্ৰিম ৰাষ্ট্ৰভাষা এটা চলাবলৈ কোনে মানস কৰিছিল?

(চ) ড. ঝমেনহফে উলিওৱা কৃত্রিম আন্তঃৰাষ্ট্রীয় ভাষাটোৰ নাম কি আছিল ?

(ছ) নাৰী আৰু অশিক্ষিত পুৰুষৰ ভাষা হিচাপে সংস্কৃত নাটকত কোনবিধ প্রাকৃত ব্যৱহাৰ কৰা হৈছিল ?

(জ) "Language is a social institution." ভাষা সম্পৰ্কীয় এই উক্তিটো কোনে আগবঢ়াইছিল ?

(ঝ) কোনো এটা ভাষাৰ অন্বয়ৰী পৰিৱৰ্তন মানে কি ?

২। চমু উত্তৰ লিখা (যি কোনো **চাৰিটা**) : ২×৪=৮

(ক) ভৌগোলিক পৰিস্থিতি অনুযায়ী কৰা ভাষাৰ বৰ্গীকৰণক কিয় বিজ্ঞানসন্মত বুলিব নোৱাৰি, দুটা যুক্তি দিয়া।

(খ) ভাৰতত কোনো বংশলতিকা নথকা পৃথিৱীৰ যি কোনো দুটা ভাষা-পৰিয়ালৰ নাম লিখা।

(গ) উপভাষা সৃষ্টিত প্ৰভাৱ পেলোৱা দুটা কাৰক উল্লেখ কৰা।

(ঘ) "সাহিত্যৰ মাজেদিও ভাষাৰ স্থিৰতা ৰক্ষা হয়।" কথাষাৰ বুজাই লিখা।

(ঙ) এটি উদাহৰণেৰে ভাষাৰ সমাজগত চাহিদা প্ৰতিপন্ন কৰা।

(চ) কামৰূপী উপভাষাত হোৱা অপিনিহিতিৰ দুটা উদাহৰণ দাঙি ধৰা।





৩। চমু টোকা লিখা (যি কোনো **তিনিটা**) : ৫×৩=১৫

(ক) অবৰ্গীকৃত ভাষা

(খ) সমাজ ভাষাবিজ্ঞান (Sociolinguistics)

(গ) অভিসাৰী আৰু অপসাৰী ধ্বনি পৰিৱৰ্তন

(ঘ) আন্তঃৰাষ্ট্ৰীয় ভাষা

(ঙ) ক্ৰেওলীয় ভাষা

৪। (ক) ভাষাৰ ঐতিহাসিক বা পাৰিবাৰিক বৰ্গীকৰণ কাক বোলে? ঐতিহাসিক বৰ্গীকৰণত কোনবোৰ দিশৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়, বহলাই আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) ভাষা-পৰিয়াল বুলিলে কি বুজা? ভাৰতত কি কি ভাষা-পৰিয়ালৰ ভাষা প্ৰচলিত আছে? ইয়াৰ ভিতৰত প্ৰাচীন বুলি ভবা পৰিয়ালটোৰ বিষয়ে চমুকৈ আলোচনা কৰা। ২+২+৬=১০

৫। (ক) "ভাষা জন্মগত বা আনুবংশিক নহয়। সি পৰিৱেশৰ অধীন। অৰ্থাৎ কোনো ভাষাত কোনো জাতিৰ আত্মা বিচাৰি পোৱা নাযায়।" কথাষাৰৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰি ভাষা আৰু জাতিৰ মাজৰ সম্পৰ্ক বিচাৰ কৰা। ৩+৭=১০

অথবা

(খ) মান্যভাষা আৰু ৰাজ্যভাষাৰ সম্পৰ্ক আৰু পাৰ্থক্য বিচাৰ কৰি কোনো এটা ভাষাই কেনেদৰে ৰাজ্যভাষাৰ স্বীকৃতি লাভ কৰিব পাৰে, আলোচনা কৰা। ৩+৭=১০

৬। (ক) ধ্বনি পৰিৱৰ্তন বুলিলে কি বুজা? ভাষাৰ ধ্বনি পৰিৱৰ্তনৰ চাৰিটা কাৰণ উদাহৰণসহ আলোচনা কৰা। ২+৮=১০

অথবা

(খ) তলত দিয়া ধ্বনি পৰিৱৰ্তনৰ দিশসমূহৰ পৰা যি কোনো চাৰিটাৰ বিষয়ে চমু টোকা লিখা : $২\frac{১}{২}\times৪=১০$

বিষমীভৱন; মূৰ্ধন্যীভৱন; অনুনাসিকীভৱন; মধ্য ব্যঞ্জনাগম; স্বৰসংগতি; স্পুনাৰিজম; অঘোষীভৱন।

* * *